কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/২২/২২-২৩
*Ref :*

তাৰিখ : ০৫-১১-২০২২
*Date :*

### অসম জাতীয় বিদ্যালয়ত 'ভূপেন হাজৰিকা দিৱস' উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ০৫ নৱেম্বৰ ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু দিৱসৰ সৈতে সংগতি ৰাখি আজি অসম জাতীয় বিদ্যালয়ত 'ভূপেন হাজৰিকা দিৱস' উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়োজন কৰা অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে সকলোৰে উদ্দেশ্যি দিয়া আদৰণী ভাষণত ভূপেন হাজৰিকাৰ গীতৰ কথা আৰু সুৰৰ সুসমন্বয়ে প্ৰজন্মৰ পিছত প্ৰজন্মক মোহিত কৰি আহিছে বুলি মন্তব্য কৰে। বিদ্যালয়ৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থী শান্দী ভৰদ্বাজে দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে। ভূপেন হাজৰিকাৰ গীতৰ আঁৰৰ কিছু কাহিনীৰ মনোজ্ঞ বিশ্লেষণ আগবঢ়ায় বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী সুদীপ্তা চৌধুৰীয়ে। তেওঁক গীতত সহযোগ কৰে বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক ভাস্কৰজ্যোতি হালৈয়ে। 'ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ' শীৰ্ষক বক্তৃতা আগবঢ়ায় জোনাকনন্দা শৰ্মাই। অনুষ্ঠানটোত বিদ্যালয়ৰ শিক্ষাৰ্থী মেধাজ্যোতি নাথ, খ্যাতি তৃষ্ণা দেৱী, প্ৰাৰ্থনা শৰ্মা, মনজিতা তালুকদাৰ, বনানি শৰ্মা আৰু ৰিম্পী কলিতাই গীত পৰিৱেশন কৰাৰ লগতে প্ৰজ্ঞান বৰুৱাই বাঁহীবাদন কৰে। অনুষ্ঠানটোত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে দলীয়ভাৱে নৃত্য আৰু গীতো পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ আগবঢ়ায় প্ৰাক্-বিদ্যালয়ৰ শিক্ষয়িত্ৰী নৱনীতা কলিতাই। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰী আৰু একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী নিষ্ঠা কাশ্যপে। 'ভূপেন হাজৰিকা দিৱস'ৰ আহ্বায়কৰ দায়িত্বত আছিল ইংৰাজী বিভাগৰ শিক্ষয়িত্ৰী নিশা দেৱী।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়